*Total number of printed pages-02*

**3(Sem-8/FYUGP)BNC(A)/DSCI**

**2025**

**ASSAMESE**

*(Discipline Specific Core)*

**Paper Name: অসমীয়া চুটিগল্প আৰু উপন্যাস**

Paper Code: **ASM-DSC-244**

*Full Marks: 60*

*Time: Two and Half Hours*

**(*The figures in the margin indicate full marks for the questions*)**

*Answer in Assamese*

১। **তলৰ প্ৰশ্নবোৰৰ অতি চমুকৈ উত্তৰ দিয়া :** **১x৭=৭**

ক) লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰথম অসমীয়া চুটিগল্পটোৰ নাম কি ?

খ) পদ্মাৱতী দেৱী ফুকননীয়ে ৰচনা কৰা উপন্যাসধৰ্মী গ্ৰন্হখনৰ নাম কি ?

গ) 'মেধি' গল্পৰ কেন্দ্ৰীয় চৰিত্ৰ বলোৰাম কোনখন সত্ৰৰ মেধি আছিল ?

ঘ) যোগেশ দাসৰ 'ডাৱৰ আৰু নাই' উপন্যাস খন কোন চনত প্ৰকাশ হৈছিল ?

ঙ) মামনি ৰয়ছন গোস্বামীৰ প্ৰকৃত নাম কি ?

চ) বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যই কোনখন উপন্যাসৰ বাবে জ্ঞানপীঠ বঁটা লাভ কৰিছিল ?

ছ) হোমেন বৰগোহাঞিৰ 'হাতী' নামৰ গল্পত উল্লেখ থকা হাতীটোৰ নাম কি ?

২। **তলৰ যিকোনো চাৰিটা প্ৰশ্নৰ চমু উত্তৰ লিখা -** **২x8=৮**

ক) 'আৱাহন' কাকতখন কিমান চনত প্ৰকাশ হৈছিল আৰু ইয়াৰ প্ৰথম সম্পাদক কোন আছিল ?

খ) ৰামধেনু যুগৰ চুটিগল্পৰ দুটা বৈশিষ্ট্য লিখা।

গ) লক্ষ্মীনাথ বেজবৰুৱাৰ 'মুক্তি' গল্পটো প্ৰথমতে কোনখন আলোচনীত আৰু কোন চনত প্ৰকাশ হৈছিল ?

ঘ) “প্ৰাচীন হৈ যাব ধৰা পৃথিৱীৰ দুটা অথৰ্ব প্ৰতিনিধি ”-বুলি গল্পকাৰে কাৰ কাৰ কথা কৈছে ?

ঙ) শ্ৰমিক জীৱনৰ বেদনা ফুটি উঠা মামনি ৰয়ছন গোস্বামীৰ দুখন উপন্যাসৰ নাম লিখা।

**৩। তলৰ যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা-** **৫x৩=১৫**

ক) আৱাহন যুগৰ চুটিগল্পৰ বিষয়বস্তু সন্দৰ্ভত এটি টোকা লিখা।

খ) অসমীয়া উপন্যাসৰ বিকাশত অৰুনোদই যুগৰ লেখক সকলৰ অৱদানৰ বিষয়ে চমুকৈ লিখা।

গ) ‘মই ভাল ল’ৰা হ’ম। মোৰ বাবে তুমি আৰু লাজ নোপোৱা হ’বা’- কোনে কেতিয়া কাক এই কথা কৈছিল বুজাই লিখা।

ঘ) ‘মেধি’ গল্পৰ বলোৰাম চৰিত্ৰটোৰ মাজেৰে কোমলতা আৰু সৰলতাৰ চিত্ৰ কিদৰে প্ৰকাশ পাইছে আলোচনা কৰা।

ঙ) “অমূল্য ৰত্ন এটুকুৰা, মানুহৰ চকুৰ আঁতৰত ধূলি মাকতিত লুটি খাই পৰি আছে।”-এই কথাষাৰ কোনে কি প্ৰসঙ্গত কৈছিল, আলোচনা কৰা।

**৪। তলৰ যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা -** **১০x৩=৩০**

ক) অসমীয়া চুটিগল্পৰ বিকাশত জোনাকী আলোচনীৰ অৱদান সন্দৰ্ভত আলোচনা আগবঢ়োৱা।

খ) যুদ্ধোত্তৰ যুগৰ অসমীয়া উপন্যাস সন্দৰ্ভত এটি আলোচনা আগবঢ়োৱা।

গ) প্ৰজন্মৰ ব্যৱধানে মূল্যবোধৰ অৱক্ষয়ত কেনেধৰণৰ অৰিহনা যোগাইছে ‘হাতী’ গল্পৰ আধাৰত বিশ্লেষন কৰা।

ঘ) দ্বিতীয় বিশ্বযুদ্ধই কেনেদৰে অসমীয়া মানুহৰ নৈতিক প্ৰমূল্যৰ অৱক্ষয় সাধিছে ‘ডাৱৰ আৰু নাই’ উপন্যাসৰ আধাৰত বিচাৰ কৰা।

ঙ) মামনি ৰয়ছন গোস্বামীৰ ‘চেনাবৰ সোঁত’ উপন্যাসত নিষ্পেষিত শ্ৰমিক সকলৰ জীৱন চিত্ৰ কিদৰে প্ৰকাশ পাইছে আলোচনা কৰা।

************